অসমীয়া

প্ৰশ্নকাকত—II

(সাহিত্য)

সময় : 3 ঘণ্টা

সৰ্বাধিক নম্বৰ : 250

প্ৰশ্নোত্তৰ বহী সম্পৰ্কীয় বিশেষ নিৰ্দেশনা

প্ৰশ্নোত্তৰ কৰাৰ আগতে তলৰ নিৰ্দেশনাখিনি ভালদৰে পঢ়ি লোৱা

প্ৰশ্নকাকতখনত দুটা শাখাত আঠটা প্ৰশ্ন দিয়া আছে।

ইয়াৰ ভিতৰত কেৱল পাঁচটা প্ৰশ্নৰ উত্তৰ কৰাঁ।

প্ৰশ্ন নং **1** আৰু **5** বাধ্যতামূলক। বাকী তিনিটাৰ কাৰণে প্ৰত্যেকটো শাখাৰ পৰা কমেও এটাকৈ বাছি লৈ উত্তৰ কৰাঁ।

প্ৰতিটো প্ৰশ্নৰ মূল্যাঙ্ক কাষত উল্লেখ কৰা হৈছে।

প্ৰশ্নৰ উত্তৰ অসমীয়াত কৰাঁ।

শব্দৰ সংখ্যা য'ত যি ধৰণে দিয়া হৈছে, সেই ধৰণে ৰক্ষা কৰাঁ।

প্ৰশ্নৰ উত্তৰসমূহ ক্ৰম অনুসৰি কৰাঁ। আধৰুৱাকৈ কৰা প্ৰশ্নৰ উত্তৰবোৰ মূল্যাঙ্কন কৰা হ'ব। প্ৰশ্ন-সংলগ্ন উত্তৰবহীৰ পৃষ্ঠাৰ কোনো অংশ বা সম্পূৰ্ণ পৃষ্ঠা নিলিখাকৈ এৰিলে তাক স্পষ্টকৈ চিহ্নিত কৰাঁ।

ASSAMESE

PAPER—II

(LITERATURE)

Time Allowed : Three Hours

Maximum Marks : 250

QUESTION PAPER SPECIFIC INSTRUCTIONS

Please read each of the following instructions carefully before attempting questions

There are EIGHT questions divided in two Sections.

Candidate has to attempt FIVE questions in all.

Question Nos. **1** and **5** are compulsory and out of the remaining, any THREE are to be attempted choosing at least ONE from each Section.

The number of marks carried by a question/part is indicated against it.

Answers must be written in ASSAMESE (Assamese script).

Word limit in questions, wherever specified, should be adhered to.

Attempts of questions shall be counted in sequential order. Unless struck off, attempt of a question shall be counted even if attempted partly. Any page or portion of the page left blank in the Question-cum-Answer Booklet must be clearly struck off.

Optional Province · optionalprovince.com

SECTION—A

1. তলৰ পাঁচোটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ *150*টা শব্দৰ ভিতৰত লিখাঁ : 10×5=50

(a) ৰৰগীতৰ সংজ্ঞা নিৰূপণ কৰি মাধৱদেৱৰ ৰৰগীতৰ বিষয়বস্তু সম্পৰ্কে আলোচনা কৰাঁ।

(b) শংকৰদেৱৰ ৰুক্মিণী হৰণ নাটকৰ ভিতৰত 'পাৰিজাত হৰণ'ক কি কি কাৰণত শ্ৰেষ্ঠ বুলি কোৱা হয়, বিশ্লেষণ কৰাঁ।

(c) ''কথাগীতা আৰু কথা-ভাগৱতৰ গদ্য তৎসম শব্দৰ দ্বাৰা ভাৰাক্ৰান্ত।'' ৰাণীকান্ত কাকতিয়ে বৈকুণ্ঠনাথ ভট্টাচাৰ্যৰ ভাষাৰ বিষয়ে কৰা এই মন্তব্যৰ যুক্তিযুক্ততা বিচাৰ কৰাঁ।

(d) মাধৱ কন্দলিৰ 'অযোধ্যাকাণ্ড'ত সমসাময়িক সমাজ-জীৱনৰ চিত্ৰ কেনেদৰে প্ৰতিফলিত হৈছে তাৰ এটি বিশ্লেষণ আগবঢ়োৱাঁ।

(e) 'শুকচৰিত-কথা'ৰ গদৰীতিৰ বিষয়ে এটি সমীক্ষা আগবঢ়োৱাঁ।

2. তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) 'কীৰ্ত্তন-ঘোষা'ত শংকৰদেৱে ৰাসক্ৰীড়াৰ বৰ্ণনা দিবলৈ যোৱাৰ আগতে প্ৰকৃতি জগতৰ, বিশেষকৈ শৰৎ কালৰ মধুৰ পূৰ্ণিমাৰ মনোৰম চিত্ৰ কেনেদৰে অঙ্কন কৰিছে তাৰ এটি আলোচনা আগবঢ়োৱাঁ। 20

(b) মাধৱদেৱৰ 'ৰাজসূয় কাব্য'ত শ্ৰীকৃষ্ণই সমদলে দ্বাৰকাৰ পৰা ইন্দ্ৰপ্ৰস্থলৈ যোৱাৰ বিৱৰণটো তোমাৰ ভাষাত লিখাঁ। 15

(c) অসমত চৰিত তোলা প্ৰথা ক'ত, কেনেদৰে আৰম্ভ হ'ল সেই বিষয়ে উল্লেখ কৰি মুখ্য চৰিত-পুথি কেইখনমানৰ বিষয়ে এটি নাতিদীৰ্ঘ প্ৰবন্ধ যুগুত কৰাঁ। 15

3. তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) ''মাধৱদেৱৰ ৰৰগীতসমূহ ভক্তপ্ৰাণৰ মৰ্মস্পৰ্শী প্ৰকাশ। দাস্য আৰু বাৎসল্য এই দুয়োটা ভাৱেৰেই ৰৰগীত তেওঁ ৰচনা কৰিছিল যদিও বাৎসল্য ভাৱৰ গীত অধিক।'' এই মন্তব্যৰ আধাৰত মাধৱদেৱৰ ৰৰগীতত দাস্য আৰু বাৎসল্য ভাৱ কেনেদৰে নিহিত হৈ আছে তাৰ এটি বিশ্লেষণ কৰাঁ। 20

(b) শংকৰদেৱৰ 'পাৰিজাত হৰণ' নাটকৰ নাট্যবস্তু বিকাশত পাৰিজাত ফুলপাহে কি ভূমিকা পালন কৰিছে, আলোচনা কৰাঁ। 15

(c) বৈকুণ্ঠনাথ ভট্টাচাৰ্যৰ 'কথা-ভাগৱত'ৰ দ্বিতীয় স্কন্ধৰ যোগেদি শ্ৰীকৃষ্ণৰ মাহাত্ম্য কেনেদৰে প্ৰকাশ পাইছে, বিচাৰ কৰাঁ। 15

4. তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) শংকৰদেৱ বিৰচিত 'কীৰ্ত্তন-ঘোষা'ৰ ৰাসক্ৰীড়া অধ্যায়ত কি কি ৰসৰ উদ্ৰেক ঘটিছে, উদাহৰণসহ আলোচনা কৰাঁ। 20

Optional Province · optionalprovince.com

(b) মাধৱ কন্দলিৰ 'অযোধ্যাকাণ্ড'ত ৰামচন্দ্ৰই অভিষেকৰ সলনি পত্নী সীতা আৰু ভ্ৰাতৃ লক্ষ্মণৰ সৈতে কেনেদৰে বনবাসলৈ যাব লগা হ'ল সেই কথাৰ বিৱৰণ দিয়াঁ। 15

(c) মাধৱদেৱৰ 'ৰাজসূয় কাব্য'ত ছন্দ আৰু অলংকাৰ প্ৰয়োগৰ যোগেদি মাধৱদেৱৰ কবি-প্ৰতিভা কেনেদৰে প্ৰকাশ পাইছে, বিশ্লেষণ কৰাঁ। 15

SECTION—B

5. তলৰ পাঁচোটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ *150*টা শব্দৰ ভিতৰত লিখাঁ : 10×5=50

(a) জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটকৰ সাধাৰণ বৈশিষ্ট্যসমূহৰ বিষয়ে উল্লেখ কৰাঁ।

(b) কবি হিচাপে নৱকান্ত বৰুৱাৰ পৰিচয় দি 'সম্ৰাট' কবিতাটিৰ বিষয়বস্তুৰ আভাস দিয়াঁ।

(c) লক্ষ্মীনাথ বেজবৰুৱাক ভূমিষ্ঠ নহৈ কিয় নৌকাঙ্ক হোৱা বুলি কোৱা হয়, ব্যাখ্যা কৰাঁ। লগতে তেওঁৰ নামটো কিয় লক্ষ্মীনাথ হ'ল তাৰ কাৰণটোও লিখাঁ।

(d) কি পটভূমিত ৰজনীকান্ত ৰৱদলৈৰ 'মনোমতী' উপন্যাসখনিৰ কাহিনীভাগ গঢ় লৈ উঠিছে, বিচাৰ কৰাঁ।

(e) ৰাণীকান্ত কাকতিৰ 'পুৰণি অসমীয়া সাহিত্য' শীৰ্ষক গ্ৰন্থখনিৰ অন্তৰ্গত 'নাম-ঘোষা' নামৰ প্ৰবন্ধটিত মাধৱদেৱৰ প্ৰতিভাক কেনেদৰে পৰিচয় কৰাই দিয়া হৈছে সেই বিষয়ে এটি আভাস দিয়াঁ।

6. তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'কাৰেঙৰ লিগিৰী' নাটকত পুৰণিৰ লগত নতুনৰ সংঘাতৰ চিত্ৰ কেনেদৰে অঙ্কন কৰা হৈছে তাৰ এটি সমীক্ষা আগবঢ়োৱাঁ। 20

(b) আত্মজীৱনীৰ বৈশিষ্ট্যসমূহ লক্ষ্মীনাথ বেজবৰুৱাৰ 'মোৰ জীৱন সোঁৱৰণ'ত কিমানখিনি প্ৰতিফলিত হৈছে, বিচাৰ কৰাঁ। 15

(c) চন্দ্ৰকুমাৰ আগৰৱালাৰ 'প্ৰতিমা' নামৰ কবিতাপুথিত ৰোমান্টিক ভাবাদৰ্শ কিদৰে ফুটি উঠিছে, লিখাঁ। 15

7. তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) "হাস্যৰসৰ অন্তৰালত থকা কাৰুণ্যৰ এটি ক্ষীণ স্ৰোতে নাটকখনক (গাঁওবুঢ়া) আকৰ্ষণীয় কৰি তুলিছে।" এই মন্তব্যৰ আঁত ধৰি 'গাঁওবুঢ়া' নাটকত হাস্য আৰু কাৰুণ্যৰ চিত্ৰ কেনেদৰে প্ৰয়োগ ঘটিছে, বিশ্লেষণ কৰাঁ। 20

(b) বেজবৰুৱাই 'কৃপাৰৰ বৰুৱাৰ কাকতৰ টোপোলা'ৰ যোগেদি অসমীয়া মানুহ আৰু অসমীয়া সমাজৰ দোষ-ত্ৰুটীবোৰ কেনেদৰে উদঙাই দিছে, উদাহৰণসহ দেখুৱাই দিয়াঁ। 15

(c) বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ 'মৃত্যুঞ্জয়' উপন্যাসৰ নাৰী চৰিত্ৰকেইটিৰ বিষয়ে এটি সমীক্ষা আগবঢ়োৱাঁ। 15

Optional Province · optionalprovince.com

8. তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ লিখা :

(a) '' 'জীৱনৰ বাটত' উপন্যাসখনত নতুন জীৱন ধাৰাৰ প্ৰতিনিধিবিলাক আত্মকেন্দ্ৰিক আৰু স্বাৰ্থপৰ। অৰ্থাগম আৰু প্ৰতিষ্ঠাই সিহঁতৰ জীৱনৰ মূল মন্ত্ৰ।'' উপন্যাসখনৰ কোনকেইটা চৰিত্ৰত এই বৈশিষ্ট্যসমূহ দেখিবলৈ পোৱা যায়- সেই বিষয়ে এটি আলোচনা প্ৰস্তুত কৰা। 20

(b) ৰাবেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ 'মৃত্যুঞ্জয়' উপন্যাসত বৈষ্ণৱ ধৰ্ম তথা সত্ৰীয়া পৰিবেশৰ চিত্ৰ কেনেদৰে প্ৰকাশ পাইছে, বিচাৰ কৰা। 15

(c) 'পুৰণি অসমীয়া সাহিত্য' শীৰ্ষক গ্ৰন্থখনিৰ আধাৰত বাণীকান্ত কাকতিক সাহিত্যৰ সমালোচক হিচাপে এটি নাতিদীৰ্ঘ প্ৰবন্ধ যুগুত কৰা। 15

★ ★ ★

Optional Province · optionalprovince.com